# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-02-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। সমাগত এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ বাবে এইপৰ্যন্ত কমেও ১৪ হাজাৰ লোকৰ পঞ্জীয়ন।

২। বাৰিষাৰ অতিৰিক্ত পানী সংৰক্ষণৰ বাবে কাজিৰঙাত ১৫টা জলাধাৰ নিৰ্মাণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক ৰাজ্যৰ জলসম্পদ বিভাগৰ প্ৰস্তাৱ দাখিল।

৩। দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে ৰেখা গুপ্তাৰ আজি শপতগ্ৰহণ।

৪। বিশিষ্ট কথাশিল্পী তথা চলচ্চিত্ৰ নিৰ্মাতা ড০ ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী। **আৰু**

৫। ডুবাইৰ আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাত আজি ভাৰত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

সমাগত এডভাণ্টেজ আছাম সন্মিলনৰ দ্বিতীয় সংস্কৰণৰ বাবে এইপৰ্যন্ত কমেও ১৪ হাজাৰ লোকে পঞ্জীয়ন কৰিছে। সন্মিলনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰ পৰিদৰ্শন কৰি এই কথা প্ৰকাশ কৰে। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকলৰ পৰা এই সন্মিলনৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত হ'বলগীয়া ঝুমুৰ নৃত্যৰ সৰ্ববৃহৎ অনুষ্ঠান ঝুমুইৰ বিনন্দিনীৰ চূড়ান্ত প্ৰস্তুতি সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই এই অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলৰ থকা-খোৱাৰ সুবিধাকে ধৰি সকলো দিশৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে বৈঠকত উপস্থিত থকা মন্ত্ৰীসকল আৰু চৰকাৰী বিষয়াসকলক দুয়োটা অনুষ্ঠান সফলতাৰে ৰূপায়ণ কৰাৰ বাবে প্ৰতিটো দিশ সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ আহ্বান জনায়। তদুপৰি দুয়োটা অনুষ্ঠানত ৰাজ্যখনৰ বিনিয়োগৰ সুবিধা আৰু সাংস্কৃতিক ঐতিহ্যক সুন্দৰৰূপত প্ৰতিফলিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনাইছে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীৰ সৈতে মন্ত্ৰী বিমল বৰা, কেশৱ মহন্ত, ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু আৰক্ষী সঞ্চালকপ্ৰধান হৰমিত সিং উপস্থিত আছিল।

পৰ্যটন মন্ত্ৰী ৰণজিত কুমাৰ দাসে কালি এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত গুৱাহাটীৰ ৩৭ খন হোটেলৰ পৰিচালন সঞ্চালক আৰু প্ৰবন্ধক সকলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই শীৰ্ষ সন্মিলন সাফল্যমণ্ডিত কৰি তোলাৰ বাবে তেওঁলোকৰ সহযোগিতা কামনা কৰে। এই আলোচনাত অসম পৰ্যটন উন্নয়ন নিগম লিমিটেডৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, উপাধ্যক্ষ দিলীপ কুমাৰ দাসকে ধৰি বিভাগটোৰ কেইবাগৰাকী বিষয়াই ভাগ লয়।

০০০০০০

ৰাজ্য চৰকাৰে ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৫ লাখ টকা পৰ্যন্ত বিনিয়োগ কৰা স্থানীয় অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগীসকলকো অংশগ্ৰহণৰ সুযোগ প্ৰদান কৰিব। উদ্যোগ মন্ত্ৰী বিমল বৰাই কালি এডভাণ্টেজ আছাম সন্দৰ্ভত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এই বিষয়ে সদৰি কৰে। ৰাজ্যত বিনিয়োগৰ পৰিৱেশ গঢ়ি উঠা বুলি উল্লেখ কৰি মন্ত্ৰী বৰাই কয়, যে সকলো পৰ্যায়ৰ উদ্যোগীক সাঙুৰি লোৱাৰ উদ্দেশ্যে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ কয়, যে স্থানীয় উদ্যোগীসকলৰ অংশগ্ৰহণে তেওঁলোকৰ সন্মুখত সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে মঙলবাৰ পৰ্যন্ত ১২ হাজাৰৰো অধিক পঞ্জীয়নৰ অনুৰোধ আহিছে যদিও সকলো তথ্যপাতি পৰীক্ষা কৰিহে পঞ্জীয়নত অনুমোদন দিয়া হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিবলগীয়া সন্মিলনখনৰ সামৰণি অনুষ্ঠানত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমন উপস্থিত থকাৰ কথা।

০০০০০০০

০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰামৰ্শ অনুসৰি বাৰিষাৰ অতিৰিক্ত পানী জমা কৰি ৰখাৰ বাবে কাজিৰঙাত ১৫ টা জলাধাৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰা হৈছে। জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি বিধায়ক অখিল গগৈৰ এটা প্ৰশ্নৰ উত্তৰত বিধানসভাত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বান নিয়ন্ত্ৰণৰ বাবে চৰকাৰে অকল মথাউৰি নিৰ্মাণ, মেৰামতি কৰি থকাই নাই, আনুসংগিক ব্যৱস্থাও গ্ৰহণ কৰিছে। ইয়াৰে অংশ হিচাপে ১৫ টা জলাধাৰ নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰায় ৬৫০ কোটি টকাৰ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। পৰ্যায়ক্ৰমে এই জলাধাৰকেইটা নিৰ্মাণ কৰা হ'ব। শ্ৰী হাজৰিকাই কয়, যে বিগত সময়ছোৱাত গ্ৰহণ কৰা কাৰ্যকৰী ব্যৱস্থাৰ বাবে ধেমাজি, মৰিগাঁও লখিমপুৰ, মাজুলী আদিত বানৰ প্ৰকোপ ৭০ শতাংশ পৰ্যন্ত কম হৈছে। তেওঁ লগতে কয়, যে ৰাজ্যখনত ১৩০ খন নদী আছে আৰু এই নদীবোৰত প্ৰায় ৪ হাজাৰ ৫৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি আছে। ২০১৬ চনৰ ১০ মে'ৰ পাছত ৰাজ্যত ৪৮ দশমিক ৮ - ০ কিলোমিটাৰ মথাউৰি নতুনকৈ নিৰ্মাণ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয়, যে ৰাজ্যত আৰু প্ৰায় ৬৬২ কিলোমিটাৰ মথাউৰিৰ প্ৰয়োজন আছে আৰু ইয়াৰে ২২০ কিলোমিটাৰৰ নিৰ্মাণকাৰ্য ২০২৪-২৫ বিত্তীয় বৰ্ষত আৰম্ভ কৰা হৈছে। ২০২৪-২৫ বৰ্ষত ৮টা মথাউৰি বিভিন্ন অংশত চিগিছিল আৰু সেইবোৰ ইতিমধ্যে মেৰামতি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

ৰেখা গুপ্তাই আজি ঐতিহাসিক ৰামলীলা ময়দানত দিল্লীৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। ৰেখা গুপ্তা - সুষমা স্বৰাজ, শীলা দীক্ষিত আৰু আতিশীৰ পাছত দিল্লীৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰী হ'ব। কালি বিয়লি দিল্লী বিজেপিৰ বিধায়িনী দলৰ নেত্ৰী হিচাপে বাছনি লাভ কৰাৰ পাছত ৰেখা গুপ্তাই উপ-ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনাক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ বাবে দাবী জনায়।

উপ-ৰাজ্যপালে আজি দুপৰীয়া ১২ বাজি ৩৫ মিনিটত শ্ৰীমতী গুপ্তাক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে শপত গ্ৰহণ অনুষ্ঠানত ভাগ ল'ব। প্ৰায় ২০খন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু উপ-মুখ্যমন্ত্ৰীসকলকো শপত গ্ৰহণ অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা হৈছে। ৰেখা গুপ্তাই দিল্লী বিধানসভাৰ সদ্যসমাপ্ত নিৰ্বাচনত শালিমাৰবাগ সমষ্টিৰ পৰা জয়ী হৈছিল।

০০০০০০

প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি অৰ্থাৎ পি এম কিষাণ আঁচনিত ৫০০ কোটি টকাৰ অনিয়ম সংঘটিত কৰা কাৰ্যত জড়িত বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে ৰাজ্যৰ কৃষি বিভাগৰ আয়ুক্ত আৰু সঞ্চালকৰ পৰা গুৱাহাটী উচ্চ ন্যায়ালয়ে কৈফিয়ত বিচাৰিছে। দুয়োগৰাকী বিষয়ালৈ এই সন্দৰ্ভত ছসপ্তাহৰ ভিতৰত উত্তৰ দিয়াৰ  জাননী জাৰি কৰা হৈছে। এটা সংস্থাই ন্যায়ালয়ত দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে কালি জাননী জাৰি কৰে। উল্লেখযোগ্য যে সংস্থাটোৰ এখন ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ ভিত্তিত ন্যায়ালয়ে দুবছৰৰ পূৰ্বে ৰাজ্য চৰকাৰক আঁচনিখন ৰূপায়ণৰ নীতি-নিৰ্দেশনাসমূহ মানি চলাৰ লগতে অনিয়মত জড়িত বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছিল। ৰাজ্য চৰকাৰে এই নিৰ্দেশ কাৰ্যকৰী নকৰাত সংস্থাটোৱে কৃষি বিভাগৰ বিৰুদ্ধে আদালত অৱমাননাৰ গোচৰ ৰুজু কৰে।

০০০০০০

দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান আঁচনি ২০২৬ চনৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে বুলি জনস্বাস্থ্য কাৰিকৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি সদনত এই কথা সদৰি কৰে। তেওঁ লগতে দক্ষিণ-পূব পানী যোগান আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ বাবে আগষ্টৰ ভিতৰত নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। মন্ত্ৰীগৰাকীয়ে কয়, যে চলিত বছৰৰ ডিচেম্বৰৰ পৰা পৰ্যায়ক্ৰমে পানীযোগান আৰম্ভ কৰি ২০২৬ চনৰ ভিতৰত দক্ষিণ-পশ্চিম গুৱাহাটী পানী যোগান আঁচনি সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। দক্ষিণ-পূব গুৱাহাটী পানীযোগান আঁচনিৰ প্ৰথম পৰ্যায়ৰ অধীনত ৩৭ কোটি টকাৰে মূল পৰিবাহী পাইপ লাইন আৰু উত্তৰ জ্যোতিনগৰ, গোপালনগৰ আৰু কেন্দুগুৰিত তিনিটা জলাধাৰ নিৰ্মাণ কৰা হৈছে। বাকীখিনি কাম এন ডি বি পিৰ পৰা ৮৮২ কোটি টকা ঋণ লৈ সম্পূৰ্ণ কৰা হ'ব আৰু ইয়াৰ বাবে আগষ্টৰ ভিতৰত নিবিদা প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ'ব বুলি মন্ত্ৰী মল্লবৰুৱাই প্ৰকাশ কৰে।

০০০০০০

বিশিষ্ট কথাশিল্পী তথা চলচ্চিত্ৰ নিৰ্মাতা ড° ভৱেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি কথাশিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। অনুভূতি সম্পন্ন আৰু মননশীল ৰচনাৰে অনুৰাগীসকলক আলোড়িত কৰা শইকীয়াই কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, শিশু সাহিত্য আৰু আত্মজীৱনীৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা শইকীয়াৰ পৰিচালিত ৮ খন চলচ্চিত্ৰৰ ভিতৰত

ভবেন্দ্ৰ নাথ শইকীয়া শিশু কল্যাণ ন্যাসৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত উদযাপন কৰা হ'ব। আৰোহণৰ মুখ্য ন্যাসৰক্ষী প্ৰীতি শইকীয়া আৰু আন ন্যাসৰক্ষীসকলে আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত এইকথা ঘোষণা কৰে। সেইদিনা সন্ধিয়া চাৰে পাঁচ বজাত কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ৰূপম ভূঞাক ড° ভৱেন্দ্ৰ নাথ শইকীয়া সোৱৰণি বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত আছে নগদ ৫০ হাজাৰ টকা, মানপত্ৰ, গামোচা, স্মাৰক আৰু কিতাপৰ টোপোলা। এই অনুষ্ঠানত বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰু, বিশিষ্ট বিজ্ঞানী তথা শিক্ষাবিদ ড° কুলেন্দু পাঠক আৰু ৰাজ্যৰ পৰ্যটন বিভাগৰ সচিব কুমাৰ পদ্মপানী বৰাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সেইদিনা সন্ধিয়া অভিমুখ নাট্যগোষ্ঠীয়ে ৰঘুনাথ নামৰ এখন নাটক পৰিবেশন কৰিব। ২১ ফেব্ৰুৱাৰী সন্ধিয়া চাৰে ছয় বজাত মুম্বাইৰ নাট্যম গোষ্ঠীয়ে ড° ভৱেন্দ্ৰ নাথ শইকীয়াৰ বিখ্যাত নাটক শতাব্দী পৰিবেশন কৰিব।

০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত অহা বিত্তীয় বৰ্ষৰ পৰা প্ৰতিখন ৰেচন কাৰ্ডত প্ৰতিমাহে ১ কিলোগ্ৰামকৈ ৰাজ সাহায্যযুক্ত চেনি আৰু মচুৰ দাইল যোগান ধৰা হ'ব। কালি অসম বিধানসভাত খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই কথা প্ৰকাশ কৰে। এই আইনৰ জৰিয়তে ৰাজ্যখনত বিনামূলীয়াকৈ চাউল লাভ কৰা মুঠ হিতাধিকাৰীৰ সংখ্যা হৈছে ২ কোটি ৪৫ লাখ ৭৭ হাজাৰ ৪০ জন। সেই হিচাপত এই আইনখনৰ অধীনত আন ৫ লাখ ৫০ হাজাৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ সুবিধা আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

উমৰাংছ'ৰ তিন কিলো কয়লা খনিত যোৱা মাহত সংঘটিত শোকাৱহ দুৰ্ঘটনাত নিহত আৰু পাঁচজন শ্ৰমিকৰ গলিত মৃতদেহ কালি দুৰ্ঘটনাস্থলীৰ পৰা উদ্ধাৰ কৰা হয়। আমাৰ হাফলঙৰ সংবাদদাতাই জনোৱা মতে যোৱা ৬ জানুৱাৰীত এন্দুৰৰ গাঁত সদৃশ খনিটোৰ আভ্যন্তৰলৈ পানী সোমোৱাৰ ফলত তাত কাম কৰি থকা কমেও ৯ জন শ্ৰমিক আবদ্ধ হৈ পৰে। তেওঁলোকক জীৱন্তে উদ্ধাৰৰ বাবে চলোৱা সকলো প্ৰচেষ্টা ব্যৰ্থ হয়। পৰৱৰ্তী কালত চাৰিজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু সেনাবাহিনীৰ উদ্ধাৰকাৰী দলে যোৱা ৪৩ দিন অঞ্চলটোৰ পৰা মৃতদেহ উদ্ধাৰৰ বাবে অহৰহ অভিযান চলাই আছিল আৰু কালি পাঁচজন শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মৃতদেহকেইটা এতিয়াও চিনাক্ত কৰিব পৰা হোৱা নাই আৰু অত্যাধুনিক পৰীক্ষাৰ দ্বাৰাহে মৃতদেহ চিনাক্ত কৰিব পৰা যাব বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায় আটাইকেইখন বাতৰি কাকতে বিপ্লৱ শৰ্মাৰ আয়োগৰ প্ৰতিবেদনক লৈ সদন উত্তাল হোৱা, দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে ৰেখা গুপ্তাৰ আজি শপত গ্ৰহণ, উমৰাংছ'ত ৪৪ দিনৰ পিছত ৫ জন শ্ৰমিকৰ উৰলি যোৱা মৃতদেহ উদ্ধাৰৰ বাতৰি ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **দৈনিক অসম** কাকতে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগৰ অধীনত নিম্ন প্ৰাথমিক বিদ্যালয়ত প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈ মিচিং ভাষাক শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰিবলৈ জাননী জাৰি কৰাৰ বাতৰি মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **আমাৰ অসম** কাকতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সদ্যসমাপ্ত আমেৰিকা ভ্ৰমণৰ পাছত মোদীৰ সৈতে সম্পৰ্ক আৰু দেশৰ স্বাৰ্থক লৈ মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ব্যক্তিগত ঘনিষ্ঠতাৰ বাবে শুল্ক ৰেহাই দিব নোৱাৰি বুলি স্থিতি স্পষ্ট কৰি দিয়াৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। **অসমীয়া প্ৰতিদিন** কাকতে ৰাজ্যত কেৱল টিকক কয়লা খনিহে বৈধ বুলি মন্ত্ৰী কৌশিক ৰায়ে কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে চি বি এছ ইয়ে দশম শ্ৰেণীৰ ব'ৰ্ড পৰীক্ষা বছৰত দুবাৰ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱাৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** কাকতে দীৰ্ঘ প্ৰতীক্ষাৰ অন্ত পেলাই দিল্লীৰ মুখ্যমন্ত্ৰী হিচাপে বিজেপিয়ে ৰেখা গুপ্তাৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰাৰ বাতৰিক '২৭ বছৰ পাছত দিল্লীত গেৰুৱা দলৰ ৰেখা ৰাজ' শিৰোনামেৰে ফটো সহকাৰে প্ৰকাশ কৰিছে। একেটা বাতৰিক প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। ৭ মাৰ্চৰ পূৰ্বে এ ডি আৰ ইৰ ফলাফল ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে সদৰি কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **দৈনিক অগ্ৰদূত** কাকতে ৰাজ্যপালৰ ভাষণক লৈ বিধানসভাত বিৰোধী পক্ষ সৰব হোৱাৰ বাতৰিক 'সবকা সাথ, সবকা বিকাশ নহয়, কাৰোবাৰ বিকাশ, কাৰোবাৰ বিনাশ' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দি আছাম ট্ৰিবিউন** কাকতে ৰাজ্যখনত ১ লাখ ৬৬ হাজাৰ অবৈধ বিদেশী চিনাক্ত হোৱা আৰু ৩০ হাজাৰ ১১৫ জনক ঘূৰাই পঠিওৱাৰ বাতৰিক মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। **দা ছেণ্টিনেল**

কাকতে ধৰ্মীয় ক্ষেত্ৰৰ সমীপৰ ভূমি সুৰক্ষিত কৰাৰ অংশ হিচাপে ৰাজ্য চৰকাৰে মাজুলী, বৰপেটা আৰু বটদ্ৰৱাৰ ভূমিৰ বিক্ৰী আৰু নামজাৰিৰ ওপৰত ৪৫ দিনৰ বাবে নিষেধাজ্ঞা আৰোপ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিৰ পৰৱৰ্তী অংশ শুনক অৰুণিমাৰ পৰা-

০০০০০০

ভাৰত আজি ডুবাই আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত খেলত হ'বলগীয়া আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ আঢ়ৈ বজাত আৰম্ভ হ'ব।

ইপিনে, নিউজিলেণ্ডে যোৱা নিশা কৰাছীত অনুষ্ঠিত প্ৰতিযোগিতাৰ এইবাৰৰ সংস্কৰণৰ প্ৰথমখন খেলত যোৱা বাৰৰ চেম্পিয়ন পাকিস্তানক ৬০ ৰাণত পৰাস্ত কৰে। খেলখনত নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ৩২০ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ উইলীয়াম ইয়ঙে ১০৭ ৰাণৰ বৰঙণি আগবঢ়ায়। টম লাথামে সৰ্বাধিক ১১৮ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। পাকিস্তানৰ নছিম শ্বাহ আৰু হাৰিছ ৰওফে দুটাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৪৭ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৬০ ৰাণহে কৰিবলৈ সমৰ্থ হয়। পাকিস্তানৰ বাবৰ আজমে ৬৪ আৰু খুছদিল শ্বাহে ৬৯ ৰাণ কৰে। নিউজিলেণ্ডৰ হৈ অধিনায়ক মিচ্চেল ছেণ্টনাৰ আৰু উইলিয়াম অ'ৰুৰ্কেই তিনিটাকৈ উইকেট লয়। টম লাথামক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ ডাৱৰীয়া হৈ থকাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

বতৰ বিজ্ঞান কেন্দ্ৰই অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ ঠাই বিশেষ ধুমুহা গাজনিৰে বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে অসম, মেঘালয়, মিজোৰাম আৰু মণিপুৰত ঠাই বিশেষে পাতলীয়া বৰষুণৰ পৰাৰ সম্ভাৱনা প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত